# অসমৰ চাহ বাগিচাত প্ৰথম মহিলা পৰিচালক



গুৱাহাটী ঃ অসমৰ চাহৰ দুশ বছৰীয়া ইতিহাসত প্ৰথমগৰাকী মহিলা চাহ বাগিচা পৰিচালক হিচাপে পৰিগণিত হৈছে মঞ্জু বৰুৱা। নাজিৰাত জন্মগ্ৰহণ কৰা বৰুৱাই বৰ্তমান তিনিচুকীয়াৰ হিলিকা চাহ বাগিচাৰ মেনেজাৰ হিচাপে দায়িত্ব নিৰ্বাহ কৰি আছে। ২০০০ চনৰ পৰাই তেওঁ এপিজে চাহৰ এগৰাকী কৰ্মচাৰী হিচাপে নিয়োজিত আছিল। যোৱা ১ আগষ্টৰ পৰা এই পদত কাৰ্যনিৰ্বাহ কৰি থকা বৰুৱাই এপিজে চাহৰ অধীনস্থ ডিব্ৰুগড়ৰ নিকটৱৰ্তী হুকনগুৰি চাহ বাগিচাত 'ট্ৰেইনী ৱেলফেয়াৰ অফিচাৰ' হিচাপে যোগদান কৰিছিল। সেই সময়ত বৰুৱা আছিল প্ৰথমটো চামৰ মহিলা ৱেলফেয়াৰ বিষয়া। এই সন্দৰ্ভত তেওঁ কয়— 'নিজৰ কামৰ গুণগত মান থকাটো অতিকৈ জৰুৰী। নিজৰ উজ্জ্বল ভৱিষ্যতৰ বাবে নিজকে বিশ্লেষণ কৰাটো প্ৰয়োজনীয়। মই নিজে কৰা কাম সন্দৰ্ভত মোৰ যথেষ্ট উচ্চ ধাৰণা আছে আৰু মই ভালদৰেই জানো যে মই নিতৌ মোৰ কৰ্মক্ষেত্ৰখনত থকা কৰ্মচাৰীৰ সৈতে বহু ঘণ্টা ধৰি কাম কৰিব লাগিব। তেতিয়াহে উচ্চমানৰ ফল লাভ কৰিবলৈ সক্ষম হ'ম আৰু ইয়াৰ জৰিয়তে একেলগে কাম কৰা কৰ্মচাৰী তথা ব্যক্তিসকলৰ বেছি ওচৰ চাপিবলৈও সক্ষম হ'ম।'